অধ্যায় ৭ ঃ কুমাৰসম্ভৱম্ মহাকাব্যৰ তৃতীয়সর্গৰ শ্লোক (৬৪-৭৬) পাঠ্যাংশৰ আলোচনা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ কুমাৰসম্ভৱৰ মহাকাব্যৰ তৃতীয়সর্গৰ (৬৪-৭৬) শ্লোকসমূহৰ সংস্কৃত পাঠ

৭.৩.১ শ্লোকসমূহৰ (৬৪-৭৬) গদ্যপাঠ

৭.৩.২ শ্লোকসমূহৰ (৬৪-৭৬) শব্দার্থ

৭.৩.৩ শ্লোকসমূহৰ (৬৪-৭৬) অসমীয়া অনুবাদ

৭.৪ ব্যাকৰণগত টোকা

৭.৫ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ (৬৪-৭৬) বিষয়বস্তু

৭.৬ মহত্বপূর্ণ শ্লোকৰ ব্যাখ্যা আৰু ভাৱার্থ

৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৮ অধিক জানিবলৈ

৭.৯ অগ্রগতিৰ খতিয়ান

৭.১০ আর্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- 'কুমাৰসম্ভৱম্' মহাকাব্যৰ তৃতীয়সর্গৰ শ্লোকসমূহৰ (৬৪-৭৬) সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিব। তাৰোপৰি শ্লোকসমূহৰ গদ্যপাঠ, শব্দার্থ আৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব
- কুমাৰসম্ভৱম্ৰ মহাকাব্যৰ 'মদনদহন' নামৰ তৃতীয়সর্গৰ এটি অংশৰ বিষয়বস্তুৰ আভাস পাব
- শ্লোকসমূহৰ কঠিন শব্দবোৰৰ ব্যাকৰণগত বিশ্লেষণৰ লগত অৱগত হ'ব
- ৬৪-৭৬ শ্লোকৰ ভিতৰত কেইটামান শ্লোকৰ ব্যাখ্যা আৰু ভাৱার্থৰ জ্ঞান লাভ কৰিব পাৰিব।

৭.২ পৰিচয়

আপুনি ইতিমধ্যে 'কুমাৰসম্ভৱম্' মহাকাব্যৰ তৃতীয়সর্গৰ (৫১-৬০) নং শ্লোকলৈকে শ্লোকসমূহ অধ্যয়ন কৰিলে। শ্লোকসমূহত পার্বতীৰ মহাদেৱৰ আশ্রমলৈ আগমন আৰু শিৱৰ

সন্মুখত উপস্থিত হৈ বসন্তৰ পুষ্পৰে সম্ভাষণ জনোৱাৰ কথা জানিব পাৰিলে।

এই অধ্যায়ত আপুনি পার্বতীৰ দ্বাৰা মহাদেৱক মাল্যপ্রদান কৰিবলৈ উদ্যোগ লোৱাৰ সময়তে কামদেৱৰ দ্বাৰা 'সম্মোহন' নামৰ অস্ত্র সংযোগৰ সময়তে মহাদেৱৰ মনো ক্ষন্তেক সময়ৰ চঞ্চল হৈ পৰিল। কিন্তু সংযমী মহাদেৱে তাৰ কাৰণ জানিব বিচাৰি চাৰিওফালে দৃষ্টিপাত কৰোতে ধনুৰ গুণ ধৰি থকা কামদেৱক দেখা পালে। হঠাতে ক্রোধত তৃতীয়নেত্রৰ পৰা ওলোৱা অগ্নিয়ে কামদেৱক ভস্মীভূত কৰিলে। হঠাতে হোৱা এনে কার্যত কামদেৱৰ পত্নী ৰতি দেৱী মূর্চ্ছিত হৈ পৰিল। ইফালে মহাদেৱেও স্ত্রীসকলৰ সান্নিধ্য পৰিহাৰ কৰি অনুচৰবর্গক লৈ সেই স্থান পৰিহাৰ কৰে। পিছত পার্বতীকো পিতৃ হিমালয়ে তাৰ পৰা আঁতৰাই লৈ যায়।

উক্ত কাহিনীভাগৰ উপৰিও শ্লোকসমূহৰ সংস্কৃত পাঠৰ লগতে প্রতিটো শব্দৰ অর্থ আৰু অসমীয়া অনুবাদো পঢ়িবলৈ পাব। শ্লোকসমূহৰ কঠিন শব্দবোৰৰ ব্যাকৰণগত টোকা আদিও জানিব পাৰিব। এই অংশ কুমাৰসম্ভৱ মহাকাব্যৰ তৃতীয় সর্গৰ অন্তিম অংশ। য'ত মহাদেৱে কামদেৱক ভস্ম কৰে বাবেই এই সর্গক 'কামদহন' বুলিও কোৱা হয় সেই কথা জানিব পাৰিব।

৭.৩ কুমাৰসম্ভৱম্ মহাকাব্যৰ তৃতীয়সর্গৰ (৬৪-৭৬) শ্লোকসমূহৰ সংস্কৃত পাঠ

এতিয়া আপুনি কুমাৰসম্ভৱম্ মহাকাব্যৰ তৃতীয়সর্গৰ শ্লোকসমূহৰ (৬৪-৭৬) সংস্কৃত পাঠ পঢ়িবলৈ পাব। শ্লোকসমূহ তলত উল্লেখ কৰা হ'ল—

(৬৪-৭৬) শ্লোকসমূহৰ সংস্কৃত পাঠ—

শ্লোক ৬৪ ঃ কামস্তু বাণাৱসৰং প্রতীক্ষ্য পতঙ্গবদ্বহ্নিমুখং বিবিক্ষুঃ।
উমাসমক্ষং হৰবদ্ধলক্ষ্যঃ শৰাসনজ্যাং মুহুৰামমর্শ।। ৬৪।।

শ্লোক ৬৫ ঃ অথোপনিন্যে গিৰিশায় গৌৰী তপস্বিনে তাম্রৰুচা কৰেণ।
বিশোষিতাং ভানুমতো ময়ূখৈর্মন্দাকিনী পুষ্কৰবীজমালাম্।। ৬৫।।

শ্লোক ৬৬ ঃ প্রতিগ্রহীতুং প্রণয়িপ্রিত্বাত্ ত্রিলোচনস্তামুপচক্রমে চ।
সম্মোহনং নাম চ পুষ্পধন্বা ধনুষ্যমোঘং সমধত বাণম্।। ৬৬।।

শ্লোক ৬৭ ঃ হৰস্তু কিঞ্চিতপৰিলুপ্তধৈর্য্যশ্চন্দ্রোদয়াৰম্ভ ইৱাম্বুৰাশিঃ।
উমামুখে বিম্বফলাধৰোষ্ঠে ব্যাপাৰয়ামাস বিলোচনানি।। ৬৭।।

শ্লোক ৬৮ ঃ বিবৃন্বতী শৈলসুতাপি ভাৱভঙ্গৈঃ স্ফুৰদ্বালকদম্বকল্পৈঃ।
সাচীকৃতা চাৰুতৰেণ তস্থৌ মুখেন পর্যস্তবিলোচনেন।। ৬৮।।

শ্লোক ৬৯ ঃ অথেন্দ্রিয়ক্ষোভমযুগ্মনেত্রঃ পুনর্বশিত্বাদ্বলবন্নিগৃহ্য।
হেতুং স্বচেতোবিকৃতের্দিদৃক্ষুর্দিশামুপান্তেষু সসর্জ দৃষ্টিম্।। ৬৯।।

শ্লোক ৭০ ঃ স দক্ষিণাপাঙ্গনিবিষ্টমুষ্টি নতাংসমাকুঞ্চিতসব্যপাদম্
দদর্শ চক্রীকৃতচাৰুচাপং প্রহর্তুমভ্যুদ্যতমাত্মযোনিম্।। ৭০।।

শ্লোক ৭১ ঃ তপঃ পৰামর্শবিবৃদ্ধমন্যো ভ্রুর্ভঙ্গদুষ্প্রেস্য তস্য।
স্ফুৰণ্ উদর্চিঃ সহসা তৃতীয়াদক্ষ্ণঃ কৃশানুঃ কিলনিষ্পপাত।। ৭১।।

শ্লোক ৭২ ঃ ক্রোধং প্রভো সংহৰ সংহৰেতি য়াবদ্‌গিৰঃ খে মৰুতাং চৰন্তি
তাবত্‌স বহ্নির্ভৱনেত্রজন্মা ভস্মাৱশেষং মদনং চকাৰ।। ৭২।।

শ্লোক ৭৩ ঃ তীব্রাভিষঙ্গপ্রভৱেণ বৃত্তিং মোহেন সংস্তম্ভ্যতে ইন্দ্রিয়াণাম্।
অজ্ঞাতভর্ত্তৃব্যসনা মুহূর্ত্তং কৃতোপকাৰেৰ ৰতির্বভূব।। ৭৩।।

শ্লোক ৭৪ ঃ তমাশু বিঘ্নং তপসস্তপস্বী বনস্পতিং বজ্র ইবাবভজ্য।
স্ত্রীসন্নিকর্ষং পৰিহর্ত্তুমিচ্ছন্নন্তর্দধে ভূতপতিঃ সভূতঃ।। ৭৪।।

শ্লোক ৭৫ ঃ শৈলাত্মজাপি পিতুৰুচ্ছিৰসো অভিলাষং
ব্যর্থং সমর্থ্য ললিতং বপুৰাত্মনশ্চ।
সখ্যোঃ সমক্ষমিতি চাধিকজাতলজ্জা
শূণ্যা জগাম ভৱনাভিমুখী কথঞ্চিত্।। ৭৫।।

শ্লোক ৭৬ ঃ সপদি মুকুলিতাক্ষীং ৰুদ্রসংৰম্ভভীত্যা
দুহিতৰমনুকম্প্যামদ্রিৰাদায় দোর্ভ্যাম্।
সুৰগজ ইৱ বিভ্রত্‌পদ্মিনীং দন্তলগ্নাং
প্রতিপথগতিৰাসীদ্ বেগদীর্ঘীকৃতাঙ্গঃ।। ৭৬।।

৭.৩.১ শ্লোকসমূহৰ (৬৪-৭৬) গদ্যপাঠ

এতিয়া আপুনি ওপৰত উল্লেখ কৰা 'কুমাৰসম্ভৱম্' মহাকাব্যৰ তৃতীয়সর্গৰ ৬৪-৭৬ নং শ্লোকসমূহৰ গদ্যপাঠ পঢ়িবলৈ পাব।

শ্লোক ৬৪ ঃ কামঃ ত বাণাৱসৰং প্রতীক্ষা পতঙ্গৱত্ বহ্নিমুখং বিবিক্ষুঃ উমাসমক্ষং হৰবদ্ধলক্ষ্যঃ শৰাসনজ্যাং মুহূঃ আমমর্শ (পৰামৃষ্ট বাণ) ।। ৬৪।।

শ্লোক ৬৫ ঃ অথ গৌৰী তপস্বিনে গিৰিশায় তামৰৰুচা কৰেণ, ভানুমতঃ (সূর্যস্য) ময়ূখৈঃ বিশোষিতাৰে মনদাকিনীপুষ্কৰবীজমালাম্।। ৬৫।।

শ্লোক ৬৬ ঃ ত্রিলোচনঃ প্রণয়িপ্রিয়ত্বাত্ তাং প্রতিগ্হীতুম্ উপচক্রমে, চ পুষ্পধন্বা সংমোহনং নাম অমোঘ বাণং ধনুষি সমধত্ত।। ৬৬।।

শ্লোক ৬৭ ঃ হৰঃ তু চন্দ্রোদয়াৱম্ভে অম্বুৰাশিৰিব কিঞ্চিত্ পৰিলুপ্তধৈর্যঃ সন্ বিম্বফলাধৰোষ্ঠ উমামুখে বিলোচনানি ব্যাপাৰয়ামাস।। ৬৭।।

শ্লোক ৬৮ ঃ শৈলসূতা অপি স্ফুৰদ্‌বালকদম্বকল্পৈঃ ভাৱং বিবৃন্বতী (প্রকাশয়ন্তী) চাৰুতৰেণ পর্যস্তবিলোচনেন মুখেন সাচীকৃতা (তির্য্যক্‌কৃতা)।। ৬৮।।

শ্লোক ৬৯ ঃ অথ অযুগ্মনেত্রঃ (বিষমলোচনঃ শিৱঃ) চ বশিত্বাত্ ইন্দ্রিয়ক্ষোভং পুনঃ বলবত্ নিগৃহ্য স্বচেতোবিকৃতেঃ হেতুং দিদৃক্ষুঃ দিশাং উপান্তেষু দৃষ্টিং সঘর্জ।। ৬৯।।

শ্লোক ৭০ ঃ সঃ দক্ষিণাপাঙ্গনিবিষ্টমুষ্টিং নতাংসম্ আকুঞ্চিত সব্যপাদম্ চক্রীকৃতচাৰুচাপং প্রহর্ত্তুম্ অভ্যুদ্যতম্ আত্মযোনিং দদর্শ ।। ৭০।।

শ্লোক ৭১ ঃ তপঃ পৰামর্শবিবৃদ্ধমন্যো ভ্রুভঙ্গদুষ্প্রেক্ষমুখস্য তস্য তৃতীয়াত্ অক্ষ্ণঃ স্ফুৰন্ উদর্চিঃ কৃশানুঃ সহসা নিষ্পপাত কিল (নিশ্চক্রাম খলু) ।। ৭১ ।।

শ্লোক ৭২ ঃ হে প্রভো! ক্রোধং সংহৰ সংহৰ, ইতি মৰুতাং (দেৱতানাং) গিৰঃ য়াৱত্ খে (আকাশে) চৰন্তি, তাবত্ ভৱনেত্রজন্মা সঃ বহ্নিঃ মদনং ভস্মাৱশেষং চকাৰ।। ৭২।।

শ্লোক ৭৩ ঃ তীব্রাভিষঙ্গপ্রভৱেণ (দুঃসহদুঃখোত্পন্নেন) ইন্দ্রিয়ানাং বৃত্তিং সংস্তম্ভ্যয়তা মোহেন অজ্ঞাতভর্ত্তৃব্যসনা ৰতিঃ মুহূর্ত্ত কৃতোপকাৰা ইৱ বভূৱ।। ৭৩।।

শ্লোক ৭৪ ঃ তপস্বী ভূতপতিঃ তপসো বিঘ্নং তং বজ্রঃ বনস্পতিম্ ইৱ আশু অৱভজ্য স্ত্রীসন্নিকর্ষ পৰিহর্ত্তুমিচ্ছন্নন্তর্দধে ভূতপতিঃ সভূতঃ।। ৭৪।।

শ্লোক ৭৫ ঃ শৈলাত্মজা অপি উচ্ছ্বসঃ (মহতঃ) পিতুঃ অভিলাষম্ আত্মনঃ ললিতং বপুঃ চ ব্যর্থং সমর্থ্য সখ্যোঃ সমক্ষম্ এৱং ব্যর্থ (জাতম্) ইত্যধিকজাতলজ্জা) শূণ্যা (উৎসাহশূণ্যাচ) ভৱনাভিমুখী কথঞ্চিত্ জগাম।। ৭৫।।

শ্লোক ৭৬ ঃ অনুকম্প্যাং দুহিতৰং দোর্ভ্যাং আদায় দন্তলগ্নাং পদ্মিনী বিভ্রত্ সুৰগজঃ ইৱ বেগদীর্ঘীকৃতাঙ্গঃ সন্ প্রতিপথগতিঃ আসীত্।। ৭৬।।

৭.৩.২ শ্লোকসমূহৰ (৬৪-৭৬) শব্দার্থ

এতিয়া আপুনি কুমাৰসম্ভৱম্ মহাকাব্যৰ (৬৪-৭৬) নং শ্লোকসমূহৰ শব্দার্থ জানিব পাৰিব—

শ্লোক ৬৪ ঃ কামঃ তু বাণাৱসৰং প্রতীক্ষা (প্রতীক্ষা কৰি থকা কামদেৱেও বাণ এৰাৰ এইটোৱেই ক্ষণ বুলি ভাবি), পতঙ্গৱত্ বহ্নিমুখং বিবিক্ষুঃ (পতঙ্গৰ নিচিনাকৈ অগ্নিৰ মুখত প্রৱেশ কৰিবলৈ ইচ্ছা কৰি), উমাসমক্ষং হৰবদ্ধলক্ষ্যঃ শৰাসনজ্যাং মুহুঃ আমমর্শ (উমাৰ উপস্থিতিতেই হৰক লক্ষ্য কৰি ধনুৰ জ্যা ডাল বাৰে বাৰে টানিবলৈ আৰম্ভ কৰিলে।)

শ্লোক ৬৫ ঃ অথ গৌৰী তপস্বিনে গিৰিশায় তাম্রৰুচা কৰেণ (ইয়াৰ পিছত পার্বতীয়ে তপস্বী মহাদেৱক তেওঁৰ তামবৰণীয়া হাতেৰে), ভানুমতঃ (সূর্যস্য) ময়ূখৈঃ বিশোষিতদং মন্দাকিনী পুস্করৰীজমালাম্ (সূর্যৰ ৰশ্মিয়ে পানী শুকুৱাই পেলোৱা মন্দাকিনী হ্রদত জন্মা পদুমৰ গুটিৰ মালা অর্পণ কৰিছিল।)

শ্লোক ৬৬ ঃ ত্রিলোচনঃ প্রণয়িপ্রিয়ত্বাত্ তাং প্রতিগ্রহীতুম্ উপচক্রমে (ভক্তৰ প্রতি থকা মৰমৰ বাবেই মহাদেৱে সেইমালাডাল গ্রহণ কৰিবলৈ আগবাঢ়ি আহিছিল), চ পুষ্পধন্বা (আৰু কামদেৱেও), সংমোহনং নাম (সংমোহন

নামেৰে), অমোঘং বাণং (অমোঘ বাণ), ধনুষি সমধত্ত (ধনুত সংযোগ কৰিছিল)।

শ্লোক ৬৭ ঃ হৰঃ তু চন্দ্রোদয়াৰম্ভে অম্বুৰাশিৰিব (মহাদেৱেও চন্দ্রোদয়ৰ আগত সাগৰ চঞ্চল হোৱাৰ দৰে), কিঞ্চিত পৰিলুপ্তধৈর্যঃ সন্ (কিঞ্চিত উল্লাসিত আৰু ধৈর্য্যচ্যুত হ'ল), বিম্বফলাধৰোষ্ঠ উমামুখে বিলোচনানি ব্যাপাৰায়মাস (আৰু বিম্বফলৰ দৰে ৰক্তবর্ণৰ পার্বতীৰ অধৰলৈ দৃষ্টিপাত কৰিলে)।

শ্লোক ৬৮ ঃ শৈলাসূতা অপি স্ফুৰদ্বালকদম্বকল্পৈঃ ভাৱং বিবৃন্বতী (প্রকাশয়ন্তী) (পর্বতদুহিতা পার্বতীও তেওঁৰ শৰীৰৰ অঙ্গ প্রত্যঙ্গৰে বিভিন্ন ভাৱ-ভঙ্গী প্রকাশ কৰিলে), চাৰু তৰেণ পর্যন্ত বিলোচনেন মুখেন সাচীকৃতা (তির্যককৃতা) (কদম ফুলৰ নিচিনাকৈ শিহৰিত হোৱা ভংগীমা প্রদর্শন কৰি লাজ ভাৱেৰে মুখ ঈষৎ বেঁকা কৰি সুন্দৰ দৃষ্টিৰে অৱস্থান কৰিলে।)

শ্লোক ৬৯ ঃ অথ অযুগ্মনেত্রঃ (বিষমলোচনঃ শিৱঃ) চ বশিত্বাত্ ইন্দ্রিয়ক্ষোভং পুনঃ বলৱত্ নিগৃহ্য (ইয়াৰ পিছত সংযমী মহাদেৱে তেওঁৰ ইন্দ্রিয়ৰ বিকাৰ বলেৰে সম্বৰণ কৰি) স্বচেতোবিকৃতেঃ হেতুং দিদৃক্ষুঃ দিশাং উপান্তেষু দৃষ্টিং সসর্জ। নিজৰ এই চিত্ত বিকৃতিৰ কাৰণ জানিবলৈ চাৰিওফালে দৃষ্টিনিক্ষেপ কৰিছিল)।

শ্লোক ৭০ ঃ সঃ (মহাদেৱে) দক্ষিণাপাঙ্গনিবিষ্টমুষ্টিং (সোঁহাতৰ মুঠিতো সোঁচকুৰ ওপৰত নিৱদ্ধ কৰি ৰখা), নতাংসম (কান্ধ দুখন তললৈ হালি থকা), আকুঞ্চিত সব্যপাদম (বাওঁভৰি দুখন কিঞ্চিত বেকা হৈ থকা), চক্রীকৃত চাৰুচাপঃ (চক্রাকৃতিৰে সুন্দৰ ধনু ধাৰণ কৰা), প্রহর্ত্তম অভ্যুদতম্ আত্মফেনিং দদর্শ (ভঙ্গিমাত থকা কামদেৱক দেখা পাইছিল)।

শ্লোক ৭১ ঃ তপঃ পৰামর্শ (তপস্যাত বিঘিনি হোৱাত), বিবৃদ্ধমন্যে ভ্রুভঙ্গদুষ্প্রেক্ষ (ক্রোধিত হৈ ভ্রু কোঁচ খাই খোৱাৰ কাৰণে) মুখস্য তস্য তৃতীয়াত্ অক্ষ্ণঃ (মুখ মণ্ডলত থকা তেওঁৰ তৃতীয় নেত্রৰ পৰা ওলোৱা), স্ফুৰন্ উদার্চিঃ কৃশানুঃ সহসা নিষ্পপাত কিল নিশ্চক্রাম খলু (অগ্নিশিখা চাৰিওফালে বিক্ষিপ্ত হৈ পৰিল)।

শ্লোক ৭২ ঃ হে প্রভো! (হে প্রভু!) ক্রোধং সংহৰ, সংহৰ (ক্রোধ সম্বৰণ কৰা, সম্বৰণ কৰা), ইতি মৰুতাং (দেৱতানাং) গিৰঃ (এইকথাখিনি যেতিয়া দেৱতাসকলে), য়াৱত খে (আকাশে) চৰন্তি (আকাশৰ পৰা ভাহি আহিছিল), তাৱত, ভৱনেত্রজন্মা সঃ বহ্নিঃ মদনং ভস্মাৱশেষং চকাৰ (সেই মুহূর্ততে মহাদেৱৰ চকুৰ পৰা সৃষ্টি হোৱা জুইয়ে কামদেৱক ভস্মীভূত কৰিছিল)।

শ্লোক ৭৩ ঃ তীব্রাভিযঙ্গপ্রভৱেণ (দুঃসহদুঃখোত্পন্নেন) (অতিশয় দুঃখত আঘাতপ্রাত হোৱা বাবে), ইন্দ্রিয়ানাং বৃত্তিং সংস্তম্ভ্যয়তা মোহেন (কামদেৱৰ পত্নী ৰতিৰ ইন্দ্রিয়সমূহ স্তব্ধ হৈ গ'ল), অজ্ঞাতভর্ত্তৃব্যসনা ৰতিঃ মুহূর্ত্ত (ৰতিৰ অজ্ঞান অৱস্থাই ক্ষন্তেকৰ বাবে হ'লেও পতিবিয়োগৰ বিৰহৰ পৰা অব্যাহতি দিছিল), কৃতোপকাৰা ইৱ ৰভূৱ (আৰু ই ৰতিৰ বাবে উপকাৰস্বৰূপ হৈ পৰিছিল)।

শ্লোক ৭৪ ঃ তপস্বী ভূতপতিঃ (তপস্বীভূতনাথ শিৱই), তপসো বিঘ্নঃ তং ব্রজঃ (তপস্যাৰ বিঘিনিস্বৰূপ কামদেৱক বজ্রই), বনস্পতিম্ ইৱ আশু অৱভজ্য (বনস্পতি নাশ কৰাৰ দৰে নাশ কৰি), স্ত্রীসন্নিকর্ষং পৰিহর্ত্তুমিচ্ছন্নন্তর্দধে (স্ত্রীসকলৰ সান্নিধ্য পৰিহাৰ কৰি), ভূতপতিঃ সভূতঃ (অনুচৰবর্গৰ সৈতে সেইস্থানৰ পৰা অন্তর্হিত হ'ল)।

শ্লোক ৭৫ ঃ শৈলাত্মজা অপি উচ্ছ্বসঃ (মহতঃ) পিতুঃ অভিলাষম্ (হিমালয়ৰ কন্যা পার্বতীয়েও নিজৰ মহান পিতৃৰ অভিলাষ), আত্মনঃ ললিতংঃ বপুঃ চ ব্যর্থং সমর্থ্য (আৰু নিজদেহলাৱণ্যৰে শিৱক লাভ কৰাত ব্যর্থ হোৱাত), সখ্যোঃ সমক্ষম্ এৱং ব্যর্থ (জাতম্) (সখী সখীসকলৰ সন্মুখত এনেদৰে ব্যর্থ হোৱাত), তত্যধিকজাতলজ্জা শূন্যা (উৎসাহশূণ্যা চ) (অধিক উৎসাহীন আৰু লজ্জাশীলা হৈ), ভৱনাভিমুখী কথঞ্চিত্ জগাম (আশাশূন্যমনেৰে গৃহাভিমুখী হ'ল)।

শ্লোক ৭৬ ঃ সপদি অদ্রিঃ (হিমালয়ঃ) (তাৰ পিছত হিমালয়ে), ৰুদ্রসংৰম্ভভীত্যা মুকুলিতাক্ষীম্ (মহাদেৱৰ পৰা ভয় খাই আধামেলখোৱা চকুৰ), অনুকম্প্যাং দুহিতৰং দোর্ভ্যাম্ (কন্যা পার্বতীৰ প্রতি অনুকম্পা হৈ) আদায় দন্তলগ্নাং পদ্মিনী বিভ্রত সুৰ গজ ইৱ (পিতৃ হিমালয়ে হাতীয়ে শুৰে পদুম লৈ গমন কৰাৰ দৰে), বেগদীর্ঘীকৃতাঙ্গঃ সন্ প্রতিপথগতিঃ আসীত্ (আলফুলকৈ দুবাহুত তুলি দীঘল খোজেৰে যাবলৈ ধৰিলে)।

৭.৩.২ শ্লোকসমূহৰ (৬৪-৭৬) অসমীয়া অনুবাদ

শ্লোকসমূহৰ শব্দার্থ জনাৰ পাছত এতিয়া আপুনি অসমীয়া অনুবাদ জানিব পাৰিব—

শ্লোক ৬৪ ঃ কামদেৱেও বাণ এৰাৰ এইটোৰেই উপযুক্ত ক্ষণ বুলি পতঙ্গৰ নিচিনাকৈ অগ্নিৰ মুখত প্রৱেশ কৰিবলৈ ইচ্ছা কৰি উমাৰ উপস্থিতিতেই হৰক লক্ষ্য কৰি ধনুৰ জ্যা ডাল বাৰে বাৰে টানিবলৈ আৰম্ভ কৰিলে।

শ্লোক ৬৫ ঃ ইয়াৰ পাছত পার্বতীয়ে তপস্বী মহাদেৱক তেওঁৰ তামবৰণীয়া হাতেৰে সূর্যৰ কিৰণত পানী শুকুৱাই পেলোৱা মন্দাকিনী হ্রদত জন্মা পদুমৰ

গুটিৰ মালা অর্পণ কৰিছিল।

শ্লোক ৬৬ ঃ ভক্তৰ প্রতি থকা মৰমৰ বাবেই মহাদেৱে সেই মালাডাল গ্রহণ কৰিবলৈ আগবাঢ়ি আহিছিল আৰু কামদেৱেও 'সম্মোহন' নামৰ অমোঘ বাণডাল তেওঁৰ ধনুত সংযোগ কৰিছিল।

শ্লোক ৬৭ ঃ মহাদেৱো চন্দ্রোদয়ৰ আগত সমুদ্র চঞ্চল হোৱাৰ দৰে কিঞ্চিত উল্লাসিত আৰু ধৈর্য্যচ্যুত হ'ল আৰু বিম্বফলৰ দৰে ৰক্তবর্ণৰ পার্বতীৰ অধৰলৈ দৃষ্টিপাত কৰিলে।

শ্লোক ৬৮ ঃ পর্বতদুহিতা পার্বতীয়েও তেওঁৰ শৰীৰৰ অঙ্গ-প্রত্যঙ্গৰে বিভিন্ন ভাৱভঙ্গী প্রকাশ কৰিলে। কদমফুলৰ নিচিনাকৈ শিহৰিত হোৱা ভঙ্গিমা প্রদর্শন কৰি লাজ ভাৱেৰে মুখ ঈষৎ বেঁকা কৰি সুন্দৰ দৃষ্টিৰে অৱস্থান কৰিছিল।

শ্লোক ৬৯ ঃ ইয়াৰ পিছত সংযমী মহাদেৱে তেওঁৰ ইন্দ্রিয়ৰ বিকাৰ বলেৰে সম্বৰণ কৰি নিজৰ এই চিত্ত বিকৃতিৰ কাৰণ জানিবলৈ চাৰিওফালে দৃষ্টিনিক্ষেপ কৰিছিল।

শ্লোক ৭০ ঃ তেতিয়া মহাদেৱে সোঁহাতৰ মুঠিতো সোঁচকুৰ ওচৰত নিৱদ্ধ কৰি ৰখা, কান্ধ দুখন কিঞ্চিত তললৈ হালি থকা, বাওঁ ভৰিখন কিঞ্চিত বেঁকা হৈ থকা, চক্রাকৃতিৰে সুন্দৰ ধনু ধাৰণ কৰা ভঙ্গিমাত থকা কামদেৱক দেখা পাইছিল।

শ্লোক ৭১ ঃ তপস্যাত বিঘিনি হোৱাত ক্রোধিত হৈ ভ্রু কোঁচ খাই যোৱা কাৰণে মুখমণ্ডলত থকা তেওঁৰ তৃতীয় নেত্রৰ পৰা ওলোৱা অগ্নিশিখা চাৰিওফালে বিক্ষিপ্ত হৈ পৰিল।

শ্লোক ৭২ ঃ হে প্রভু! 'ক্রোধ সম্বৰণ কৰক! ক্রোধ সম্বৰণ কৰক!' এই কথাখিনি যেতিয়া আকাশৰ দেৱতাসকলৰ মুখৰ পৰা ভাঁহি আহিছিল সেই মুহূর্ততে মহাদেৱৰ চকুৰ পৰা সৃষ্টি হোৱা জুইয়ে কামদেৱক ভস্মীভূত কৰিছিল।

শ্লোক ৭৩ ঃ হঠাতে হোৱা এই ঘটনাত কামপত্নী ৰতিৰ ইন্দ্রিয়সমূহ স্তব্ধ হৈ গ'ল। ৰতিৰ অজ্ঞান অৱস্থাই ক্ষন্তেকৰ বাবে হ'লেও পতিবিয়োগৰ বিৰহৰ পৰা অব্যাহতি দিছিল আৰু ই ৰতিৰ বাবে উপকাৰস্বৰূপ হৈ পৰিছিল।

শ্লোক ৭৪ ঃ তপস্বী ভূতনাথ শিৱই তপস্যাৰ বিঘিনিস্বৰূপ কামদেৱক বজ্রই বনস্পতি নাশ কৰাৰ দৰে নাশ কৰি, স্ত্রীসকলৰ সান্নিধ্য পৰিহাৰ কৰি অনুচৰ বর্গৰ সৈতে সেই স্থানৰ পৰা অন্তর্হিত হ'ল।

শ্লোক ৭৫ ঃ হিমালয়ৰ কন্যা পার্বতীয়েও নিজৰ মহান পিতৃৰ অভিলাষ আৰু নিজৰ দেহলাৱণ্যৰে শিৱক লাভ কৰাত ব্যর্থ হোৱাত সখীসকলৰ সন্মুখত লজ্জিতা হৈ আশাশূণ্য মনেৰে গৃহাভিমুখী হ'ল।

শ্লোক ৭৬ ঃ তাৰ পাছত শিৱৰ পৰা ভয় খাই আধামেলখোৱা চকুৰ পার্বতী যি গৰাকী অনুকম্পাৰ যোগ্যা, সহানুভূতিৰ যোগ্যা সেই পার্বতীক পিতৃ হিমালয়ে হাতীয়ে শুৱেৰে পদুম লৈ গমন কৰাৰ দৰে আলফুলকৈ দুবাহুত তুলি দীঘল খোজেৰে যাবলৈ ধৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ 'ভানু' শব্দৰ অর্থ কি?

.....

প্রশ্ন নং ২ঃ 'মন্দাকিনী' শব্দই কি বুজায়?

.....

প্রশ্ন নং ৩ঃ 'গিৰিশঃ' শব্দই কাক বুজায়?

.....

প্রশ্ন নং ৪ঃ মহাদেৱৰ প্রতি লক্ষ্য কৰি কামদেৱে মাৰিবলৈ ওলোৱা পুষ্পবাণডালৰ নাম কি আছিল?

.....

প্রশ্ন নং ৫ঃ মহাদেৱৰ ক্রোধ দেখি ভয় খাই আকাশৰ পৰা দেৱতাবিলাকে কি বুলি কৈছিল?

.....

প্রশ্ন নং ৬ঃ পার্বতীৰ ওঠদুটিক কবিয়ে কিহৰ লগত তুলনা কৰিছে?

.....

প্রশ্ন নং ৭ঃ 'ভূতনাথ' বুলি কাক কোৱা হয়?

.....

৭.৪ ব্যাকৰণগত টোকা

শ্লোক ৬৪ ঃ

সমাস

বানাৱসৰম্ = বানস্য অৱসৰঃ ষষ্ঠী তৎপুৰুষ, তম্

উমাসমক্ষম্ = উমায়ং ঃ সমক্ষম্ = ষষ্ঠী তৎপুৰুষ

বুৎপত্তি

প্রতীক্ষ্য = প্রতি + ঈক্ষ্ + ল্যপ্

বিবিক্ষুঃ = বিশ্ + সন্ + উ, প্রথমা একবচন

আমমর্শ = আ - মৃশ্ + লিট্ অ

শ্লোক ৬৫ ঃ

সমাস

গিৰিশায় = গিৰৌ শেতে (উপপদতৎপুৰুষ) ইতি গিৰিশ, তস্মৈ।

তাম্ৰৰুচা = তাম্ৰস্য ৰুগিব ৰ্চক্ যস্য বহুব্রীহি, সঃ, তেন।

বিভক্তি নির্ণয়

গিৰিশায় = ক্রিয়ামোত্তা চতুর্থী

ভানুমতঃ = শেষে ষষ্ঠী

বুৎপত্তি

ভানুমতঃ = ভানু + মতুপ্, ষষ্ঠী একবচন

তাম্ৰৰুচা = তাম্ৰ + ৰুচ্ + ক্বিপ্, তৃতীয়া একবচন

বিশোষিতাম্ = বি - শুষ্ + নি, ক্ত + টাপ্ দ্বিতীয়া একবচন

উপনিন্যে = উপ + নী + লিট্ প্রথমা একবচন।

শ্লোক ৬৬ ঃ

সমাস

ত্রিলোচন = ত্রীনি লোচনানি যস্য বহুব্রীহি সমাস

প্রণয়িপ্রিয়ত্বাদ্ = প্রণয়িনাং প্রিয় ষষ্ঠী অপুৰুষ, প্রণয়িপ্রিয়ঃ, তস্য ভাবঃ প্রণয়িপ্রিয়ত্বম্, তস্মাৎ।

পুষ্পধন্বা = পুষ্পং ধনুর্যস্য = বহুব্রীহি সমাস, সঃ

অমোঘম্ = ন মোঘঃ নঞ্ তৎপুৰুষ, অমোঘঃ তম্

বুৎপত্তি

প্রতিগ্রহীতুম্ = প্রতি - গ্রহ্ + তুমুন্

উপচক্রমে = উপ - ক্রম্ + লিট্ প্রথমা একবচন

সমধত্ত = সম্ - ধা + লুঙ্ প্রথমপুৰুষ একবচন

শ্লোক ৬৭ ঃ

সমাস

চন্দ্রোদয়াৰম্ভে = চন্দ্রস্য উদয়ঃ ষষ্ঠী তৎপুৰুষ, চন্দ্রোদয়ঃ, চন্দ্রোদয়স্য আৰম্ভঃ = ষষ্ঠী তৎপুৰুষ, চন্দ্রোদয়াৰম্ভ, তস্মিন্।

বিম্বাফলাধৰৌষ্ঠে = বিম্বঃ (বিম্বতুল্যঃ) অধৰৌষ্ঠঃ য়স্মিনং = বহুব্রীহিসমাস

পৰিলুপ্তধৈর্য্যঃ = পৰিলুপ্তং ধৈর্য্য যস্য মঃ = বহুব্রীহি সমাস

বুৎপত্তি

ব্যাপাৰয়ামাস = বি - আ - পৃ + নিচ্ + লিট্ অ

শ্লোক ৬৮ ঃ

সমাস

শৈলসুতা = শৈলস্য সুতা ষষ্ঠী তৎপুৰুষ

পর্য্যন্তবিলোচনেন = বিশিষ্টে লোচনে = প্রাদিতৎপুৰুষ, বিলোচনে, পর্যন্তে বিলোচনে যস্মিন্ বহুব্রীহি সমাস। তত্, তেন

বিভক্তি নির্ণয়

অঙ্গৈ = কৰণে তৃতীয়া, মুখেন = উপলক্ষণে তৃতীয়া

বুৎপত্তি

বিবৃন্বতী = বি - বৃ + শতৃ + ঙীপ্, প্রথমা একবচন

পর্যন্ত = পৰি - অস + ক্ত

তস্থৌ = স্থা + লিট্ অ

সাচীকৃতা = সাচি + ৱি + কৃ + ক্ত + টাপ্, প্রথমা একবচন

শ্লোক ৬৯ ঃ

সমাস

অসুগ্মনেত্র = ন যুগ্মানি - অসুগ্মানি = নঞ্ তৎপুৰুষ, অসুগ্মানি নেত্রানি যস্য = বহুব্রীহি সমাস, মঃ

বিভক্তি নির্ণয়

বশিত্বাত = হেতৌ পঞ্চমী।

বুৎপত্তি

বিশিত্বাতৃ = বশ্ - ইনি + ত্ব পঞ্চমী একবচন

নিগৃহ্য = নি - গৃহ্ + ল্যপ্

দিদৃক্ষুঃ = দৃশ্ + সন্ + ত

সসর্জ = সৃজ্ + লিট্ প্রথমা একবচন

বিকৃতি = বি কৃ + ক্তিন্

শ্লোক ৭০ ঃ

দক্ষিণপাঙ্গ = দক্ষিণঃ অপাঙ্গঃ = কর্মধাৰয় সমাস

নতাংসম্ = নতৌ অংসৌ যস্য = বহুব্রীহি সমাস

সঃ নতাংসঃ তম্

আকুঞ্চিতসব্যপাদম্ = সব্যশ্চসৌ পাদঃ কর্মধাৰয় সমাস, সব্যপাদঃ

আকুঞ্চিতঃ সব্যপাদো য়স্য = বহুব্রীহি সমাস, তম্

চক্রীকৃতচাৰুচাপম্ = চক্রীকৃতঃ চাৰুঃ চাপো, যেন = বহুব্রীহি সমাস তম্

বুৎপত্তি

দদর্শ = দুশ্ + লিট্ অ

নিবিষ্ট = নি - বিশ্ + কু

প্রহর্তুম্ = প্র - হৃ + তুমুন্

অভ্যুদ্যতম্ = অভি = উদ্ + যম্ + কু, দ্বিতীয়া বহুবচন

শ্লোক ৭১ ঃ

সমাস

উদর্চিঃ = উদ্গতা অর্চিঃ য়স্য (বহুব্রীহি) সঃ

তপঃ পৰামর্শেন বিবৃদ্ধঃ মন্যুঃ য়স্য = বহুব্রীহি সমাস মঃ তস্য

ভ্রূভংগদুষ্প্রেক্ষমুখস্য = ভ্রূবঃ ভংগঃ = ষষ্ঠী তৎপুৰুষ, ভ্রূভংগঃ,

ভ্রূভংগেন দুষ্প্রেক্ষং মুখং যস্য = বহুব্রীহি সমাস, সঃ, তস্য

বিভক্তি নির্ণয়

অক্ষ্ণঃ = অপাদানে পঞ্চমী

বুৎপত্তি

দুষ্প্রেক্ষ্য = দুঃ - প্র + ইক্ষ্ + যত্

স্ফুৰন্ = স্ফুৰ্ + শত্ প্রথমা একবচন

নিষ্পপাত = নিঃ - পত্ + লিট্, প্রথমা একবচন

শ্লোক ৭২ ঃ

সমাস

ভবনেত্রজন্মা = ভবস্য নেত্রম্ = ষষ্ঠীতৎপুৰুষ, ভবনেত্রম্, ডবনেত্রাত্

জন্ম যস্য = বহুব্রীহি সমাস মঃ

ডস্মাৱশেষম্ = ভস্ম অৱশেষঃ যস্য = বহুব্রীহি সমাস, মঃ ভস্মাৱশেষঃ, তম্

বিভক্তি নির্ণয়

খে = অধিকৰণে সপ্তমী

বুৎপত্তি

সংহৰ = সম্ হৃ + লোট্ মধ্যমপুৰুষ একবচন

জন্মা = জন্মন্ প্রথমপুৰুষ একবচন

চকাৰ = কৃ + লিট্ প্রথমপুৰুষ একবচন

শ্লোক ৭৩ ঃ

তীব্রাভিষঙ্গভবেন = তীবশ্চাসৌ অভিষঙ্গঃ = কর্মধাৰয় সমাসঃ

তীব্রাভিষঙ্গাত্ প্রভবতি উপপদতৎপুৰুষ ইতি তীব্রাভিষঙ্গপ্রভবঃ তেন।

কৃতোপকাৰা - কৃতঃ উপকাৰঃ যস্যাঃ = বহুব্রীহি সমাস, সা

বিভক্তি নির্ণয়

মোহেন = অনুক্তে কর্তৰি তৃতীয়া

মুহূর্তম্ = অত্যন্তসংযোগে দ্বিতীয়া

বুৎপত্তি

সংস্তম্ভয়তা = সম্ - স্তম্ভ + শতৃ + টাপ্ তৃতীয়া একবচন

বভূব = ভূ + লিট্ + অ

শ্লোক ৭৪ ঃ

সমাস

ভূতপতিঃ = ভূতানাং পতিঃ (ষষ্ঠী তৎপুৰুষ)

বনস্পতিম্ = বনস্য পতিঃ = ষষ্ঠী তৎপুৰুষ, তম্

বুৎপত্তি

অবভজ্য = অৱ - ভঞ্জ + ল্যপ্

ইচ্ছন্ = ইষ্ + শতৃ প্রথমা একবচন

তপস্বী = তপস্ + বিনি (মত্বর্থে)

অন্তর্দধে = অন্তৰ্ + ধা + লিট্ এ।

শ্লোক ৭৫ ঃ

সমাস

শৈলাত্মজা = আত্মনঃ জায়তে = উপপদতৎপুৰুষ ইতি আত্মজা, শৈলস্য

আত্মজা = ষষ্ঠী তৎপুৰুষ

উচ্ছ্ৱসঃ = উন্নতং শিৰঃ য়স্য বহুব্রীহি, সঋ উচ্ছ্ৱাঃ, তস্য

বুৎপত্তি

সমর্থ = সম - অর্থ + ল্যপ্

জগাম = গম্ + লিট্ অ

সমক্ষম্ = সম + অক্ষি + ৱৈ

শ্লোক ৭৬ ঃ

সমাস

মুকুলিতাক্ষীম্ = মুকুলিতে অক্ষিণী য়স্যাঃ = বহুব্রীহি সমাস সা, তাম্

ৰুদ্রসংৰম্ভভীত্যা = ৰুদ্রস্য সংৰম্ভ ষষ্ঠী তৎপুৰুষ, ৰুদ্রসংৰম্ভাত্

ভীতিঃ = পঞ্চমী তৎপুৰুষ, তয়া

বেগদীর্ঘিকৃতাঙ্গ = বেগেন দীর্ঘীকৃতম্ অঙ্গংয়স্য = বহুব্রীহি সমাস সঃ।

দন্তলগ্নাম্ = দন্তয়োঃ লগ্নাঃ = ষষ্ঠী তৎপুৰুষ, তাম্

বিভক্তি নির্ণয়

দোর্ভ্যাম = কৰণে তৃতীয়া

বুৎপত্তি

আদায় = আ - দা + ল্যপ্

বিভ্রত্ = ভৃ + শতৃ + প্রথমা একবচন

আসীত্ = অর্স্ + লঙ্ + দ

৭.৫ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ (৬৪-৭৬) বিষয়বস্তু

মহাকবি কালিদাৰ বিৰচিত কুমাৰসম্ভৱম্ মহাকাব্যৰ 'মদনদহন' নামৰ তৃতীয়সর্গত অকালবসন্তৰ আবির্ভাৱ আৰু কামদেৱৰ দ্বাৰা শিৱৰ সমাধিভঙ্গৰ পিছত পার্বতীৰ প্রতি শিৱক আকর্ষণ কৰিবলৈ চেষ্টা কৰাৰ সময়তে ক্রোধিত মহাদেৱে তৃতীয়নেত্রেৰে কামদেৱক দহন কৰাৰ কথা বর্ণনা কৰা হৈছে। বর্তমান আপুনি (৬৪-৭৬) নং শ্লোকত থকা কুমাৰসম্ভৱমৰ শেষৰ অংশ জানিব পাৰিব—

কামদেৱেও বাণ ত্যাগ কৰাৰ এইটোৱেই উপযুক্ত সময় বুলি পতঙ্গৰ নিচিনাকৈ অগ্নিৰ মুখত প্রৱেশ কৰিবলৈ ইচ্ছা কৰি উমাৰ উপস্থিতিতেই হৰক লক্ষ্য কৰি পুনৰ ধনুৰ জ্যা ডাল বাৰে বাৰে টানিবলৈ আৰম্ভ কৰিলে।

ইয়াৰ পাছত পার্বতীয়ে তপস্বী মহাদেৱক তেওঁৰ তামবৰণীয়া হাতেৰে সূর্যৰ ৰশ্মিয়ে শুকুৰাই পেলোৱা মন্দাকিনী হ্রদত জন্মা পদুমৰ গুটিৰ মালা অর্পণ কৰিছিল। ভক্তৰ প্রতি থকা মৰমৰ বাবেই মহাদেৱে সেই মালাডাল গ্রহণ কৰিবলৈ আগবাঢ়ি আহিছিল আৰু কামদেৱেও 'সম্মোহন' নামৰ অমোঘ বাণডাল তেওঁৰ ধনুত সংযোগ কৰিছিল।

পর্বত দুহিতা পার্বতীয়েও শৰীৰৰ অঙ্গ-প্রত্যঙ্গৰে বিভিন্ন ভাৱ-ভঙ্গী প্রকাশ কৰিলে। কদমফুলৰ নিচিনাকৈ শিহৰিত হোৱা ভঙ্গিমা প্রদর্শন কৰি লাভ ভাৱেৰে মুখ ঈষৎ বেঁকা কৰি সুন্দৰ দৃষ্টিৰে অৱস্থান কৰিছিল (৬৮ নং শ্লোক)। ইয়াৰ পিছত সংযমী মহাদেৱে তেওঁৰ ইন্দ্রিয়ৰ বিকাৰ বলেৰে সম্বৰণ কৰি নিজৰ চিত্তৰ বিকৃতিৰ কাৰণ জানিবলৈ চাৰিওফালে দৃষ্টি নিক্ষেপ কৰিছিল (৬৯ নং শ্লোক)। তেওঁ মহাদেৱে সোঁহাতৰ মুঠিতো সোঁচকুৰ ওচৰত নিৰদ্ধ কৰি ৰখা, কান্ধ দুখন কিঞ্চিত তললৈ হালি থকা, বাওঁভৰিখন কিঞ্চিত বেঁকা হৈ থকা, চক্রাকৃতিৰে সুন্দৰ ধনু ধাৰণ কৰা ভঙ্গিমাত থকা কামদেৱক দেখা পাইছিল (৭০ নং শ্লোক)। মহাদেৱৰ তপস্যাত বিঘিনি হোৱাত ক্রোধিত হৈ ভ্রু কোঁচ খাই যোৱাৰ কাৰণে মুখমণ্ডলত থকা তেওঁৰ তৃতীয় নেত্রৰ পৰা ওলোৱা অগ্নিশিখা চাৰিওফালে বিক্ষিপ্ত হৈ পৰিল (৭১ নং শ্লোক)। হে প্রভু! 'ক্রোধ সম্বৰণ কৰা' এই কথাখিনি যেতিয়া আকাশৰ দেৱতাসকলৰ মুখৰ পৰা ভাঁহি আহিছিল, সেই মুহূর্ততে মহাদেৱৰ চকুৰ পৰা সৃষ্টি হোৱা জুইয়ে কামদেৱক ভস্মীভূত কৰিছিল (৭২ নং শ্লোক)। হঠাতে হোৱা এই ঘটনাত কামপত্নী ৰতিৰ ইন্দ্রিয়সমূহ স্তব্ধ হৈ গ'ল। ৰতিৰ অজ্ঞান অৱস্থাই ক্ষন্তেকৰ বাবে হ'লেও পতি বিয়োগৰ বিৰহৰ পৰা অব্যাহতি দিছিল আৰু ই ৰতিৰ বাবে উপকাৰ স্বৰূপ হৈ পৰিছিল (৭৩ নং শ্লোক)। তপস্বী ভূতনাথ শিৱই তপস্যাৰ বিঘিনিস্বৰূপ কামদেৱক বজ্রই বনস্পতি নাশ কৰাৰ দৰে নাশ কৰি, স্ত্রীসকলৰ সান্নিধ্য পৰিহাৰ কৰি অনুচৰবর্গৰে সৈতে সেই স্থানৰ পৰা অন্তর্হিত হ'ল (৭৪ নং শ্লোক)। হিমালয়ৰ কন্যা পার্বতীয়েও নিজৰ মহান পিতৃৰ অভিলাষ আৰু নিজ দেহলাৱণ্যৰে শিৱক লাভ কৰাত ব্যর্থ হোৱাত সখীসকলৰ সন্মুখত লজ্জিতা হৈ আশাশূণ্য মনেৰে গৃহাভিমুখী হ'ল (৭৫ নং শ্লোক)। তাৰ পাছত শিৱৰ পৰা ভয় খাই আধামেলখোৱা চকুৰ পার্বতী, যিগৰাকী অনুকম্পাৰ যোগ্যা, সহানুভূতিৰ যোগ্যা সেই পার্বতীক পিতৃ হিমালয়ে হাতীয়ে শুৱেৰে পদুম লৈ গমন কৰাৰ দৰে আলফুলকৈ দুবাহুত তুলি দীঘল খোজেৰে যাবলৈ ধৰিলে (৭৬ নং শ্লোক)।

৭.৬ মহত্বপূর্ণ শ্লোকৰ ব্যাখ্যা আৰু ভাৱার্থ

(ক) ব্যাখ্যা ঃ

কামস্তু বাণাৱসৰং প্রতীক্ষ্য পতঙ্গবদ্বহ্নিমুখং বিবিক্ষুঃ।
উমাসমক্ষং হৰবদ্ধলক্ষ্যঃ শৰাসনজ্যাং মুহুৰামমর্শ।। ৬৪।।

উদ্ধৃতি ঃ উক্ত শ্লোকফাঁকি মহাকবি কালিদাস বিৰচিত 'কুমাৰসম্ভৱম্' মহাকাব্যৰ 'মদনদহন' নামৰ তৃতীয় সর্গৰ পৰা তুলি অনা হৈছে।

প্রসঙ্গ ঃ দেৱতাসকলৰ কার্য সম্পাদনৰ বাবে কামদেৱে নিজৰ মৃত্যু আসন্ন বুলি জানিও শৰ নিক্ষেপ কৰাৰ প্রসংগত শ্লোকফাঁকি কোৱা হৈছে।

ব্যাখ্যা ঃ কামদেৱে পার্বতীক শিৱৰ একেবাৰে ওচৰত দেখা পাই বাণ এৰাৰ এইটোৱেই উপযুক্ত ক্ষণ বুলি পতঙ্গৰ নিচিনাকৈ অগ্নিৰ মুখত প্রৱেশ কৰিবলৈ ইচ্ছা কৰি উমাৰ উপস্থিতিতেই হৰক (মহাদেৱক) লক্ষ্য কৰি ধনুৰ জ্যা ডাল বাৰে বাৰে টানিবলৈ আৰম্ভ কৰিলে।

অগ্নিৰ পোহৰত পতঙ্গ অগ্নিৰ পোহৰৰ প্রতি আকর্ষিত হয় আৰু অগ্নিত পৰি মৃত্যু হয়। এই শ্লোকফাঁকিত কামদেৱক পতঙ্গৰ লগত তুলনা কৰা হৈছে। মহাদেৱৰ সমাধি ভঙ্গ কৰি পার্বতীৰ প্রতি আকৃষ্ট কৰা আৰু তেওঁলোকৰ মিলন ঘটোৱাই হৈছে কামদেৱৰ উদ্দেশ্য। কিয়নো তাড়কাসুৰৰ উপদ্রৱৰ পৰা দেৱতাসকলক ৰক্ষা কৰিবলৈ দেৱসেনাপতিৰ (কার্ত্তিকৰ) প্রয়োজন। সেই কাৰণে সমাধিস্থ মহাদেৱৰ সমাধি ভঙ্গ কৰি পার্বতীৰ প্রতি তেওঁক (মহাদেৱক) আকর্ষিত কৰাটোৱেই হৈছে কামদেৱৰ প্রধান উদ্দেশ্য। শিৱৰ আশ্রমত থকা গহীন পৰিৱেশৰ ঠাইত বন্ধু বসন্তৰ সহায়ত অকালবসন্তৰ সৃষ্টি কৰিছে। যাৰ বাবে আশ্রম জীৱ-জন্তুকে ধৰি ইতৰ প্রাণীসমূহো আনন্দত চঞ্চল হৈ পৰিছে। ইফালে হিমালয়ৰ দুহিতা পার্বতীয়েও বসন্তৰ পুষ্পৰে সুসজ্জিতা হৈ সখীসকলৰ সৈতে মহাদেৱৰ সমাধিস্থানত উপস্থিত হয়। সখী দুগৰাকীয়ে চিঙা বসন্ত ঋতুৰ পল্লৱযুক্ত ফুলৰ থোপাসমূহ মহাদেৱৰ চৰণত প্রণিপাত পূর্বক চতিয়াই দিয়ে। মহাদেৱেও পার্বতীৰ প্রতি 'অনন্যাসক্ত পতি লাভ কৰা' এই আশীর্বাদ বচন উচ্চাৰণ কৰিলে। সেই সময়তে কামদেৱেও 'সম্মোহন' নামৰ পুষ্প বাণ নিক্ষেপৰ বাবে আয়োজন কৰিলে।

মহাদেৱ ক্রোধিত হ'লে কামদেৱৰ যে জীৱন বিনাশ প্রাপ্ত হ'ব সেই কথা জানিব পাৰিও অর্থাৎ পতঙ্গই অগ্নিত পৰি মৃত্যুবৰণ কৰাৰ দৰে হ'ব বুলি জানিও দেৱকার্য কৰিবলৈ আগবাঢ়িছিল।

এই শ্লোকফাঁকিত এফালে পৰমাত্মাৰ ধ্যানত নিজকে যোগবিষ্ট কৰি ৰখা মহাদেৱ আৰু আনফালে কর্তব্যৰ প্রতি নিষ্ঠা থকা কামদেৱৰ ছবি দুখন প্রতিফলিত হৈছে।

(খ) ক্রোধং প্রভো সংহৰ সংহৰেতি য়াৱদ্গিৰঃ খে মৰুতাং চৰন্তি।
তাৱত্স বহ্নির্ভৱনেত্রজন্মা ভস্মাৱশেষং মদনং চকাৰ।। ৭২।।

উদ্ধৃতি ঃ উক্ত শ্লোকফাঁকি মহাকবি কালিদাস বিৰচিত 'কুমাৰসম্ভৱম্' মহাকাব্যৰ 'মদনদহন' নামৰ তৃতীয় সর্গৰ পৰা তুলি অনা হৈছে।

প্রসংগ ঃ মহাদেৱৰ ক্রোধ দেখি দেৱতাসকলে ভয় খাই ক্রোধ সম্বৰণ কৰিবলৈ কোৱাৰ প্রসংগত

শ্লোকফাঁকি অৱতাৰণা কৰা হৈছে।

ব্যাখ্যা ঃ দেৱৰাজ ইন্দ্রই কামদেৱক তপস্যাৰত মহাদেৱক তপস্যা ভঙ্গ কৰি গিৰিৰাজ হিমালয়ৰ কন্যা পার্বতীৰ প্রতি আকৃষ্ট কৰাই উভয়ৰ মাজত মিলন ঘটাবলৈ নির্দেশ দিছিল। ইন্দ্রৰ নির্দেশ অনুসৰি বসন্তক সহায়ক হিচাবে লৈ আৰু পত্নী ৰতিদেৱীকো লগত লৈ কামদেৱ মহাদেৱৰ তপস্যা স্থানত উপস্থিত হ'ল। বসন্তই শিৱৰ আশ্রমত অকালবসন্তৰ সৃষ্টি কৰিলে। তাতে কামদেৱে মহাদেৱৰ তপস্যাৰত মহাদেৱৰ ভয়ংকৰ মূর্তিদেখি কিংকর্তব্যবিমূঢ় হৈ পৰিল। ধ্যানস্থ তেওঁৰ চকুৰ মণি ঈষৎ বিকশিত আৰু স্থিৰ হৈ আছিল। ভ্রু সঞ্চালন হোৱা নাছিল, চকু দুটা আধামেল খোৱা হৈ আছিল আৰু নিষ্পন্দ আছিল। অন্তঃস্থিত প্রাণবায়ু ৰোধ কৰি সমাধিস্থ আছিল বাবেই এনেকুৱা দেখা গৈছিল যেন বৃষ্টিৰ এটুকুৰা স্থিৰ মেঘহে, ঢৌ নোহোৱা গভীৰ হ্রদৰ পানীহে, বতাহ নোহোৱা ঠাইত থকা এগছি নিশ্চল প্রদীপহে।

তথাপি কামদেৱে তেওঁ অব্যর্থ ফুলৰ ধনুত সম্মোহন নামৰ বাণ আৰোপ কৰিলে। কাৰণ দেৱতাসকলক সহায় কৰিবলৈ তেওঁ আগবাঢ়ি আহিছে। যেতিয়া শিৱৰ আশ্রমত উপস্থিত হোৱা পার্বতীয়ে পদ্মবীজৰ মালা মহাদেৱৰ ডিঙিত অর্পণ কৰিলে তেনে সময়তে ক্ষন্তেক সময়ৰ কাৰণে মহাদেৱ সমাধিৰ পৰা বিৰত হৈছিল। তেওঁৰ ইন্দ্রিয়সমূহ চঞ্চল হৈ পৰিল। কিন্তু মহাদেৱে জিতেন্দ্রিয়তাৰ প্রভাৱত মনৰ চঞ্চলতা সংযমিত কৰিলে। চাৰিওফালে দৃষ্টি নিক্ষেপ কৰি তাৰ কাৰণ জানিব বিচাৰিলে। যেতিয়া তেওঁ হাতত ধনুশৰ লৈ থকা কামদেৱক দেখা পালে, লগে লগে কপালত থকা তৃতীয় নেত্রৰ পৰা অগ্নিশিখা নির্গত হৈ কামদেৱক ভস্মীভূত কৰে। সেই সময়তে দেৱতাসকলে ক্রোধ সম্বৰণ কৰিবলৈ মহাদেৱক অনুৰোধ কৰিছিল যদিও ইতিমধ্যে কামদেৱ ভস্মীভূত হয়। অর্থাৎ দেৱতাসকলৰ এইধ্বনি মৰ্ত্তলৈ আহিপোৱাৰ আগতেই ৰুদ্রৰ (মহাদেৱৰ) তৃতীয়নেত্রৰ অগ্নিয়ে মদনক ভস্মীভূত কৰে।

ভাৱার্থ (ক) প্রতিগ্রহীতুং প্রণয়িপ্রিয়ত্বাত্স্ত্রিলোচনস্তামুপচক্রমে চ।

সংমোহনং নাম চ পুষ্পধন্বা ধনুষ্যমোঘং সমধত্ত বাণম্।। ৬৬।।

হিমালয় দুহিতা পার্বতীয়ে তেওঁৰ ভৱিষ্যতৰ পতি মহাদেৱৰ তপস্যাভূমিত উপস্থিত হৈছিল। সেই সময়তে পৰমাত্মা সংজ্ঞক পৰমজ্যোতি অন্তৰত দর্শন কৰা মহাদেৱে যোগ সমাপ্ত কৰিছিল। নন্দীৰ অনুমতি পাই পার্বতী মহাদেৱৰ সমাধিস্থানত উপস্থিত হৈছিল। পার্বতীৰ সখীদুগৰাকীয়ে নিজ হাতে চিঙা বসন্ত ঋতুৰ পল্লৱযুক্ত ফুলৰ থোপাসমূহ মহাদেৱৰ চৰণত প্রণিপাত জনাই চতিয়াই দিলে। কলাচুলিৰ মাজত শোভা পোৱা কর্ণিকাৰ পুষ্প খহি পৰা পার্বতীয়ে শিলেৰে মহাদেৱক প্রণাম জনালে। মহাদেৱে পার্বতীক 'অনন্যাসক্তস্বামীলাভ কৰা' এই আশীর্বাদ প্রদান কৰে। তাৰ পাছত পার্বতীয়ে তামবৰণীয়া হাতেৰে সূর্যৰ ৰশ্মিয়ে পানী শুকাই পেলোৱা মন্দাকিনী হ্রদত জন্ম হোৱা পদুমৰ গুটিৰ মালা অর্পণ কৰিছিল।

ভক্তৰ প্রতি থকা মৰমৰ বাবেই মহাদেৱে সেই মালাডাল গ্রহণ কৰিবলৈ আগবাঢ়ি আহিছিল আৰু কামদেৱেও 'সম্মোহন' নামৰ অমোঘ বাণ ডাল তেওঁৰ ধনুত সংযোগ কৰিছিল। কামদেৱৰ ফুলৰ ধনু পাঁচবিধ ফুলৰ নামেৰে নামঙ্কিত বাণসমূহ হৈছে—

অৰবিন্দমশোকঞ্চ চূতঞ্চ নৱমল্লিকা।

নীলোৎপলঞ্চ পঞ্চৈতে পঞ্চবাণস্য সায়কাঃ।

অর্থাৎ — (১) অৰবিন্দ, (২) অশোক, (৩) চ্যুত অর্থাৎ (আমফুল), (৪) নৱমল্লিকা, (৫) নীলোৎপল (নীলাপদুম)। উক্ত প্রতিবিধ বাণৰেই ক্রিয়াসমূহ ভিন্ন ধৰণৰ— যেনে ঃ সম্মোহন, তাপন, উন্মাদন, বশীকৰণ ইত্যাদি।

গতিকে মহাদেৱক চঞ্চল কৰি পার্বতীৰ প্রতি আকৃষ্ট কৰাৰ বাবেই কামদেৱে 'সম্মোহন' নামৰ অমোঘ বাণ তেওঁৰ প্রতি নিক্ষেপ কৰিছিল।

(খ) তীব্রাভিষঙ্গপ্রভৱেণ বৃত্তিংমোহেন সংস্তম্ভয়তেন্দ্রিয়াণাম্।

অজ্ঞাতভর্ত্তৃব্যসনা মুহূর্ত্তং কৃতোপকাৰেৱ ৰতির্বভূৱ ।। ৭৩।।

মহাদেৱৰ সমাধিস্থানলৈ যাওঁতে কামদেৱে বন্ধু বসন্ত আৰু পত্নীৰতিক লগত লৈ গৈছিল। বসন্তই শিৱৰ আশ্রমত অকাল বসন্তৰ আৱির্ভাৱ ঘটালে। সেই সময়ত আশ্রমস্থ জীৱ-জন্তু আৰু ইতৰ প্রাণীসমূহ আনকি বৃক্ষসমূহো নকৈ পল্লৱযুক্ত আৰু পুষ্পেৱে সুশোভিতা হৈ পৰিল। হিমালয় কন্যা পার্বতীয়েও মহাদেৱক স্বামীৰূপে লাভ কৰিবৰ বাবে শিৱৰ ওচৰত উপস্থিত হ'ল আৰু তেওঁৰ চৰণত বসন্তৰ পুষ্প অর্পণ কৰিলে। পদুমৰ গুটিৰ মালা ডিঙিত পিন্ধাই দিলে। কামদেৱে সম্মোহন নামৰ অব্যর্থ বাণ মহাদেৱলৈ নিক্ষেপ কৰে। পার্বতীৰ হাতৰ স্পর্শত মহাদেৱৰ মন ক্ষন্তেক সময়ৰ বাবে চঞ্চল হৈ পৰিল। সেই চঞ্চলৰ কাৰণ জানিবলৈ চাৰিও দিশে চকু ফুৰালে। কামদেৱৰ এই বাণ সন্ধানৰ ফলত চন্দ্রোদয়ৰ আৰম্ভতে সমুদ্রৰ পানী যিদৰে চঞ্চল হৈ পৰে তেনেদৰে মহাদেৱৰ চিত্তও চঞ্চল হৈ পৰে। কিন্তু জিতেন্দ্রিয় মহাদেৱে সেই চঞ্চলতাক সংযমিত কৰে আৰু হাতত ধনুশৰ লৈ থকা কামদেৱক দেখা পালে। লগে লগে কপালত থকা তৃতীয় নেত্রৰ পৰা অগ্নিশিখা নির্গত হৈ কামদেৱক ভস্মীভূত কৰে। তাৰ পিছত মহাদেৱ সেই স্থানৰ পৰা আতৰি যায়। ইমান কঠিন কার্যত মদনৰ (কামদেৱৰ) সর্বনাশ হ'ব পাৰে বুলি ভাবি দেৱতাসকলে আকাশত উপস্থিত আছিল। দেৱতাসকলে মহাদেৱক ক্রোধ সম্বৰণ কৰিবলৈ অনুৰোধ কৰে। কিন্তু দেৱতাসকলৰ ধ্বনি আহি পোৱাৰ আগতেই শিৱৰ কপালৰ তৃতীয় নেত্রেৰ অগ্নিয়ে মদনক ভস্মীভূত কৰি পেলালে।

কামদেৱৰ তেনে অৱস্থা দেখি ৰতি দেৱী শোকতে মূর্চ্ছা গ'ল। ক্ষন্তেক সময়ৰ বাবে প্রিয়তমৰ (কামদেৱৰ) তেনে অৱস্থা দেখা নাপালে। সেই কাৰণে ৰতি মূর্চ্ছা গৈ যেন পৰম উপকাৰহে কৰিলে।



৭.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- পাঠ্যাংশৰ শ্লোকসমূহৰ (৬৪-৭৬) সংস্কৃত পাঠৰ লগতে গদ্যপাঠ জানিব পাৰিলে।
- প্ৰতিটো শ্লোকৰ শব্দাৰ্থ আৰু অসমীয়া অনুবাদ জানিব পাৰিলে।
- শ্লোকসমূহৰ ব্যাকৰণগত টোকা আৰু বিষয়বস্তুৰ বিষয়ে অৱগত হ'ব পাৰিলে।
- মহত্বপূৰ্ণ শ্লোকৰ ব্যাখ্যা আৰু ভাৱাৰ্থৰ বিষয়ে অৱগত হ'ল।



৭.৮ অধিক জানিবলৈ

১) *দি কুমাৰসম্ভৱম্ অৱ কালিদাস* - এম আৰ কালে (কেণ্টো - ১-৮) মতিলাল বাণাৰসীদাস, দিল্লী।

২) *কালিদাস' জ কুমাৰসম্ভৱম্* (কেণ্টো - ১-১৭) নাগ পাব্লিচার্চ, জৱাহৰ নগৰ, দিল্লী-৭।

৩) *কুমাৰসম্ভৱম্* (১-৫) সর্গ মহাকবি কালিদাস প্ৰণীতম্, সম্পাদনা - শ্ৰীমদ্‌গুৰুনাথ বিদ্যানিধি ভট্টাচার্য সংস্কৃত পুস্তক ভাণ্ডাৰ-৩৮, বিধান সৰণী, কলিকতা - ৭০০০০৬।

৪) *সংস্কৃত সাহিত্যসম্ভাৰ* - (Vol. 2), নৱপত্ৰ প্ৰকাশন, ১৯৮৯, ৬ ব্যঙ্কিম ছ্যাটার্জী ষ্ট্ৰীট, কলিকতা-৭০০০৭৩।

৫) *সংস্কৃত সাহিত্যের ইতিহাস* - ধীৰেন্দ্ৰ নাথ বন্দোপাধ্যায়, ৱেষ্ট বেঙ্গল ষ্টেট বুক ব'র্ড, কলকাতা- ৭০০০৭৩।

৬) *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত* - ড° থানেশ্বৰ শর্মা, চন্দ্ৰপ্ৰকাশ, পাণবজাৰ, গুৱাহাটী-১৯৯৫।

৭) *সংস্কৃত সাহিত্যৰ জিলিঙণি* - শ্ৰীকামাখ্যাচৰণ ভাগৱতী, গ্ৰন্থপীঠ, পাণবজাৰ, গুৱাহাটী, ১৯৭৩।

৮) *কুমাৰসম্ভৱম্* - তৃতীয়সর্গ - সম্পাদনা ড° ইন্দিৰা শইকীয়া বৰা প্ৰকাশিকা, পাণবজাৰ, গুৱাহাটী-২য় প্ৰকাশ ২০১৬।



৭.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ 'ভানু' শব্দৰ অর্থ 'সূর্য'।

২ নং প্ৰশ্নৰ উত্তৰঃ গঙ্গাক স্বর্গত 'মন্দাকিনী' বোলা হয়।

৩ নং প্রশ্নৰ উত্তৰঃ 'গিৰিশ' শব্দই 'মহাদেৱক' বুজায়।

৪ নং প্রশ্নৰ উত্তৰঃ 'সম্মোহন' নামৰ বাণ।

৫ নং প্রশ্নৰ উত্তৰঃ পার্বতীৰ ৰঙা ওঠ দুটিক ৰঙা বিম্বফলৰ লগত তুলনা কৰিছে।

৬ নং প্রশ্নৰ উত্তৰঃ 'হে প্রভু! ক্রোধ সম্বৰণ কৰক' এইবাক্য বাৰে বাৰে উচ্চাৰণ কৰিছিল।

৭ নং প্রশ্নৰ উত্তৰঃ ভূতনাথ বুলি মহাদেৱক কোৱা হয়।



৭.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ 'কুমাৰসম্ভৱম্' মহাকাব্যৰ তৃতীয়সর্গৰ (৬৪-৭৬) শ্লোকত থকা কামদহনৰ বর্ণনা দিয়ক।

প্রশ্ন ২ঃ তলত উল্লেখ কৰা শব্দবোৰৰ ব্যাকৰণগত টোকা লিখক—

হৰবদ্ধ, তাম্ৰৰুচা, মন্দাকিনী, প্রণয়িপ্রিয়, বশিত্বাত্ চক্রীকৃত চাৰুচাপ, সংহৰ, ভস্মাৱশেষ।

(খ) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ কুমাৰসম্ভৱম্ মহাকাব্যৰ তৃতীয়সর্গত মহাদেৱৰ আশ্রমত পার্বতী প্রৱেশৰ বর্ণনা দিয়ক।

প্রশ্ন ২ঃ শিৱৰ ক্রোধাগ্নিত কামদেৱ ভস্মীভূত হোৱাত ৰতিৰ অৱস্থা কি হৈছিল লিখক।

প্রশ্ন ৩ঃ মহাদেৱৰ পৰা ভয়খোৱা পার্বতীক পিতৃ হিমালয়ে লৈ যোৱাৰ দৃশ্যটো লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ কুমাৰসম্ভৱ মহাকাব্যৰ তৃতীয়সর্গৰ নামকৰণৰ বিষয়ে বহলাই লিখক।

প্রশ্ন ২ঃ ব্যাখ্যা কৰক ঃ

(ক) ক্রোধংপ্রভো সংহৰ সংহৱেতি যাৱদ্গি�ৰঃ খে মৰুতাংচৰন্তি।
অৱত্স বহ্নির্ভৱনেত্রজন্মা ভস্মাৱশেষং মদনং চকাৰ।।

(খ) **ভাৱার্থ লিখক**

কামস্তু বাণাৱসৱং প্রতীক্ষ্য পতঙ্গবদ্বহ্নিমুখং বিবিক্ষুঃ।
উমাসমক্ষং হৰবদ্ধলক্ষ্যঃ শৰাসনজ্যাং মুহুৰামমর্শ।।

(গ) ভাবার্থ লিখক ঃ

হৰস্তু কিঞ্চিতপৰিপ্লুপ্তধৈর্যচন্দ্রোদয়াৰম্ভ ইবাম্বুৰাশিং।
উমামুখে বিম্বফলাধৰোষ্ঠে ব্যাপাৰয়ামাস বিলোচনানি।।

*** ***** ***